**28-03-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – প্ৰত্যেকৰে পাপ শোষণ কৰিব পৰা সৰ্বোৎকৃষ্ট শোষক কাগজ হৈছে একমাত্ৰ শিৱবাবা, তেওঁক স্মৰণ কৰিলে পাপ নাশ হ'ব"**

প্ৰশ্ন: আত্মাত সকলোতকৈ গভীৰ দাগ কোনটো, সেয়া আঁতৰাবৰ কাৰণে কোনটো পৰিশ্ৰম কৰিবা?

উত্তৰ: আত্মাত দেহ-অভিমানৰ বহুত গভীৰ দাগ পৰি আছে, বাৰে বাৰে কোনো দেহধাৰীৰ নাম-ৰূপত আৱদ্ধ হৈ পৰে। পিতাক স্মৰণ নকৰি দেহধাৰীক স্মৰণ কৰি থাকে। ইজনে সিজনৰ অন্তৰত দুখ দিয়ে। এই দাগ আঁতৰাবৰ কাৰণে দেহী-অভিমানী হোৱাৰ পৰিশ্ৰম কৰা।

গীত: মুখড়া দেখ লে প্ৰাণী…….. (চেহেৰা চাই লোৱা প্ৰাণী…….)

ওঁম্ শান্তি। সকলো সেৱাকেন্দ্ৰৰ মৰমৰ সন্তানসকলে গীতটি শুনিলে। এতিয়া নিজক চাই লোৱা যে কিমান পুণ্য কৰিলা আৰু কিমান পাপ খণ্ডন হ'ল। গোটেই জগতে সাধু সন্ত আদিয়ে আহ্বান জনায় - হে পতিত-পাৱন, এজনেই পতিতৰ পৰা পাৱন কৰি তোলোঁতা পিতা। বাকী সকলোৰে পাপ আছে। এইটোতো তোমালোকে জানা যে আত্মাতহে পাপ আছে। পুণ্যও আত্মাতেই আছে। আত্মাহে পাৱন, আত্মাহে পতিত হয়। ইয়াত সকলো আত্মাই পতিত। পাপৰ দাগ লাগি আছে সেয়েহে পাপ আত্মা বুলি কোৱা হয়। এতিয়া পাপ আঁতৰিব কেনেকৈ? যেতিয়া কোনো বস্তুত চিয়াঁহী বা তেল পৰি যায় তেতিয়া 'শোষক কাগজ' ৰাখে। 'শোষক কাগজে' সকলো শুহি লয়। এতিয়া সকলো মনুষ্যই এজনক স্মৰণ কৰে কিয়নো তেওঁহে 'শোষক কাগজ', পতিত-পাৱন। সেই এজনৰ বাহিৰে আৰু কোনো 'শোষক কাগজ' নাই। তেওঁলোকেতো জন্মৰ পাছত জন্ম গংগা স্নান কৰি আৰুহে পতিত হৈ গৈছে। পতিতসকলক পাৱন কৰি তোলোঁতা এজনেই শিৱবাবা 'শোষক কাগজ'। হয়ো অতিকৈ সূক্ষ্ম এটি বিন্দু। সকলোৰে পাপ নষ্ট কৰে। কোনটো যুক্তিৰে? কেৱল কয় - মোক 'শোষক কাগজ'ক স্মৰণ কৰা। মইতো চৈতন্য হওঁ নহয়। তোমালোকক আৰু কোনো কষ্ট নিদিওঁ। তোমালোকো আত্মা বিন্দু, পিতাও বিন্দু। তেওঁ কয় - কেৱল মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ সকলো পাপ খণ্ডন হৈ যাব। এতিয়া প্ৰত্যেকেই নিজৰ অন্তৰক সোধা যে স্মৃতিৰে কিমান পাপ খণ্ডন হ'ল? বাকী কিমান পাপ আছে? এইটো গম পোৱা যায় কেনেকৈ? অন্যকো ৰাস্তা দেখুৱাই থাকা যে একমাত্ৰ শোষক কাগজক স্মৰণ কৰা। সকলোকে এইটো ৰায় দিয়াতো ভাল নহয় জানো, এইটোও আশ্চৰ্যজনক, যাক ৰায় দিয়া হয় তেওঁতো পিতাক স্মৰণ কৰাত লাগি যায়, আৰু ৰায় দিওঁতাজনে নিজেই স্মৰণ নকৰে সেয়েহে পাপ খণ্ডন নহয়। পতিত-পাৱন বুলিতো এজনকেই কোৱা হয়। অনেক পাপ লাগি আছে। কাম বিকাৰৰ পাপ, দেহ-অভিমানৰতো প্ৰথম নম্বৰৰ পাপ, যিটো সকলোতকৈ বেয়া। এতিয়া পিতাই কয় দেহী-অভিমানী হোৱা। যিমানে মামেকম্ স্মৰণ কৰিবা তেতিয়া তোমালোকৰ যি খাদ পৰিছে, সেয়া ভস্ম হ'ব। স্মৰণ কৰিব লাগে। অন্যকো এইটো ৰাস্তা দেখুৱাব লাগে। যিমানে অন্যক বুজাবা সিমানে তোমালোকৰো কল্যাণ হ'ব। এইটো বেপাৰতে লাগি যোৱা। অন্যকো এইটো বুজাব লাগে যে পিতাক স্মৰণ কৰা তেতিয়া পুণ্য আত্মা হৈ যাবা। তোমালোকৰ কাম হৈছে অন্যকো এইটো কোৱা যে পতিত-পাৱন এজনেই। যদিওবা তোমালোক জ্ঞান নদী অনেক আছা কিন্তু তোমালোকে সকলোকে কোৱা যে এজনকে স্মৰণ কৰা। সেই এজনেই পতিত-পাৱন হয়। তেওঁৰ বহুত মহিমা আছে। জ্ঞানৰ সাগৰো তেৱেঁই হয়। সেই এজন পিতাক স্মৰণ কৰা, দেহী-অভিমানী হৈ থাকা - এই এটা কথাই কঠিন। পিতাই কেৱল তোমালোকৰ কাৰণে নকয়, আচলতে বাবাৰ ধ্যানততো সকলো সেৱাকেন্দ্ৰৰ সন্তানসকল আছে। পিতাইতো সকলো সন্তানকে চায় নহয়। য'ত ভাল সেৱাধাৰী সন্তান থাকে, শিৱবাবাৰ ফুলৰ বাগিচা নহয় জানো। যিসকল ভাল ফুলৰ বাগিচা হ'ব তেওঁলোককহে বাবাই স্মৰণ কৰিব। চহকী ব্যক্তিৰ 4-5 গৰাকী সন্তান থাকিলে তেতিয়া যিগৰাকী ডাঙৰ সন্তান হ'ব তেওঁক স্মৰণ কৰিব। ফুলৰ ভিন্নতা থাকে নহয়। গতিকে বাবায়ো নিজৰ ডাঙৰ বাগিচাক স্মৰণ কৰে। যিকোনো লোককে এই ৰাস্তা দেখুওৱাতো সহজ, শিৱবাবাক স্মৰণ কৰা। তেওঁৱেই পতিত-পাৱন হয়। নিজেই কয় - মোক স্মৰণ কৰিলে তোমালোকৰ পাপ ভস্ম হ'ব। গোটেই জগতৰ কাৰণে কিমান সৰ্বোৎকৃষ্ট 'শোষক কাগজ'। সকলোৱে তেওঁক স্মৰণ কৰে। যিকোনো লোককে এই ৰাস্তা দেখুওৱাতো সহজ, শিৱবাবাক স্মৰণ কৰা।

পিতাই যুক্তি শুনাইছে যে মোক স্মৰণ কৰিলে তোমালোকৰ যি দেহ-অভিমানৰ দাগ আছে সেয়া আঁতৰি যাব। দেহী-অভিমানী হওতে পৰিশ্ৰম হয়। বাবাক কোনেও সঁচা কথা নকয়। কোনো কোনোৱে খতিয়ান লিখি পঠিয়ায় আকৌ ভাগৰি পৰে। বহুত উচ্চ লক্ষ্য। মায়াই নিচা একেবাৰে ভাঙি দিয়ে তেতিয়া আকৌ লিখিবলৈও এৰি দিয়ে। আধাকল্পৰ

দেহ-অভিমান আছে, সেয়া আঁতৰিয়ে নাযায়। পিতাই কয় - কেৱল এইটোৱে বেপাৰ কৰি থাকা। পিতাক স্মৰণ কৰা আৰু অন্যকো সোঁৱৰাই দিয়া। বচ্ সকলোতকৈ উচ্চ বেপাৰ হৈছে এইটো। যিসকলে নিজে স্মৰণ নকৰে তেওঁলোকে এইটো বেপাৰ নকৰিৱবই। পিতাৰ স্মৃতি - এয়া হৈছে যোগ অগ্নি, যাৰ দ্বাৰা পাপ ভস্ম হ'ব সেয়েহে সোধা হয় কিমানলৈকে পাপ ভস্ম হৈছে? যিমানে পিতাক স্মৰণ কৰিবা সিমানে আনন্দৰ পাৰা উৰ্দ্ধগামী হৈ থাকিব। সকলোৱে অন্তৰক জানিব পাৰে। অন্যকো তেওঁলোকৰ সেৱাৰ পৰা জানিব পাৰে। অন্যক ৰাস্তা দেখুৱায় - বাবাক স্মৰণ কৰা। তেওঁ পতিত-পাৱন হয়। ইয়াত এয়াতো হৈছে পতিত তমোপ্ৰধান সৃষ্টি। সকলো আত্মা আৰু শৰীৰ তমোপ্ৰধান। এতিয়া উভতি যাব লাগে। তাত সকলো আত্মা পৱিত্ৰ হৈ থাকে। যেতিয়া পৱিত্ৰ হ'ব তেতিয়াহে ঘৰলৈ যাব। অন্যকো এইটো ৰাস্তা দেখুৱাব লাগে। পিতাই যুক্তিতো বহুত সহজ শুনায়। শিৱবাবাক স্মৰণ কৰা। এইখনেই 'শোষক কাগজ' ৰাখা তেতিয়া সকলো পাপ শোষণ কৰি ল'ব। তোমালোকৰ বিকৰ্ম বিনাশ হ'ব। মূল ডাঙৰ কথাটো হৈছে পাৱন হোৱাৰ। মনুষ্য পতিত হৈ গৈছে সেইবাবেতো আহ্বান জনায় - হে পতিত-পাৱন আহক, আহি সকলোকে পাৱন কৰি লগত লৈ যাওক। লিখাও আছে। সকলো আত্মাক পাৱন কৰি লগত লৈ যায় তাৰপাছত এজনো পতিত আত্মা নাথাকে। এইটোও বুজাইছে যে পোন-প্ৰথমে স্বৰ্গবাসীসকলহে আহিব। পিতাই যি দৰব দিয়ে - এয়া সকলোৱে কাৰণে। যাকেই লগ পোৱা তেওঁলোকক এয়াই দৰব দিব লাগে। আপোনালোক পিতাৰ ওচৰলৈ যাব বিচাৰে - কিন্তু আত্মা পতিত সেই কাৰণে যাব নোৱাৰে। পাৱন হওক তেতিয়া যাব পাৰিব। হে আত্মাসকল মোক স্মৰণ কৰা তেতিয়া মই লৈ যাম পুনৰ তাৰপৰা তোমালোকক সুখলৈ লৈ যাম আকৌ যেতিয়া সৃষ্টি পুৰণি হয় তেতিয়া তোমালোকে দুখ পোৱা। মই কাকো দুখ নিদিওঁ। প্ৰত্যেকেই নিজক চোৱা মই স্মৰণ কৰোঁনে? যিমানে স্মৰণ কৰিবা সিমানে আনন্দৰ পাৰা উৰ্দ্ধগামী হৈ থাকিব। কিমান সহজ দৰব, অন্য কোনো সাধু সন্ত আদিয়ে এই দৰবক নাজানে। ক'তোৱেই লিখা নাই। এইটো একেবাৰেই নতুন কথা। পাপৰ হিচাপ কোনো শৰীৰত লাগি থকা নাই। ইমান সূক্ষ্ম আত্মা বিন্দুতেই গোটেই ভূমিকা সমাহিত হৈ আছে। আত্মা পতিত হ'লে তেতিয়া জীৱৰ ওপৰতো প্ৰভাৱ পৰিব। আত্মা পাৱন হৈ যায় - পুনৰ শৰীৰো পাৱন পায়। দুখী, সুখী আত্মা হয়। শৰীৰত আঘাত পালে আত্মাই দুখৰ অনুভৱ কৰে। কোৱাও হয় এওঁ দুখী আত্মা, এওঁ সুখী আত্মা। ইমান সূক্ষ্ম আত্মাই কিমান ভূমিকা পালন কৰে, আচৰিত নহয় জানো। পিতা হৈছেই সুখ দিওঁতা, সেয়েহে তেওঁক স্মৰণ কৰে। দুখ দিওঁতা হৈছে ৰাৱণ। সকলোতকৈ আগত আহে দেহ-অভিমান। এতিয়া পিতাই বুজায় - তোমালোক আত্ম-অভিমানী হ'ব লাগে, ইয়াত বহুত পৰিশ্ৰম হয়। পিতাই জানে সঁচা অন্তৰেৰে যিটো যুক্তিৰে স্মৰণ কৰিব লাগে, কোনোবাই কাচিৎহে কৰে। ইয়াত থাকিও বহুতে পাহৰি যায়। যদি দেহী-অভিমানী হয় তেন্তে কোনো পাপ নকৰে। পিতাৰ নিৰ্দেশনা হৈছে - বেয়া নাচাবা, বেয়া নক'বা......বান্দৰৰ কাৰণেতো নহয়। এয়াতো মনুষ্যৰ কাৰণে। মনুষ্য বান্দৰ সদৃশ সেয়েহে বান্দৰৰ চিত্ৰ দি দিছে। বহুত আছে যিয়ে গোটেই দিন পৰচৰ্চা কৰে। সেয়েহে পিতাই বুজনি দিবলগীয়া হয়। সকলো সেৱাকেন্দ্ৰতে কোনোবা নহয় কোনোবা এনেকুৱা থাকে যিয়ে ইজনে-সিজনক দুখহে দি থাকে। কোনোবা ভালো আছে যি পিতাৰ স্মৃতিত থাকে। বুজি পায় যে মন, বাণী, কৰ্মৰে কাৰো দুখ দিব নালাগে। বাণীৰেও কাৰোবাক দুখ দিলে তেতিয়া দুখী হৈ মৰিব। পিতাই কয় - তোমালোক সন্তানসকলে সকলোকে সুখ দিব লাগে। সকলোকে ক'ব লাগে দেহী-অভিমানী হোৱা। পিতাক স্মৰণ কৰা আৰু কোনো পইচাৰ লেন-দেনৰ কথা নাই। কেৱল মৰমৰ পিতাক স্মৰণ কৰা তেতিয়া তোমালোকৰ বিকৰ্ম ভস্ম হৈ যাব। তোমালোক বিশ্বৰ মালিক হৈ যাবা। ভগৱানুবাচ (ভগৱানে কয়) – 'মনমনাভৱ' এজন পিতাক আৰু উত্তৰাধিকাৰক স্মৰণ কৰা। অন্য একোৱেই পৰস্পৰ আলোচনা নকৰিবা কেৱল পিতাক স্মৰণ কৰা। আনৰ কল্যাণ কৰা। তোমালোকৰ অৱস্থা এনেকুৱা উত্তম হওঁক যাতে যিকোনো লোকেই আহি দেখক, কওক যে বাবাৰ সন্তানসকলতো শোষক পেপাৰ। এতিয়া সেইটো অৱস্থা হোৱা নাই। বাবাক কোনোবাই সোধে তেন্তে 'শোষক কাগজ'নো কি এতিয়া কাগজো হোৱা নাই। বাবাই সকলো সেৱাকেন্দ্ৰৰ সন্তানসকলক বুজায়। বোম্বাই (এতিয়া মুম্বাই), কলিকতা (এতিয়া কোলকাতা), দিল্লী..... সকলো ঠাইত সন্তানতো আছে নহয়। অভিযোগ আহে বাবা অমুকে বহুত অশান্ত কৰে। পুণ্য আত্মা কৰি তোলাৰ সলনি আৰুহে পাপ আত্মা কৰি দিয়ে। বাবাক কোনোবাই সুধিলে তেতিয়া ততালিকে কৈ দিব। শিৱবাবাইতো সকলো জানে। তেওঁৰ ওচৰত সকলো হিচাপ-নিকাচ আছে। এই বাবায়ো ক'ব পাৰে। চেহেৰাৰ পৰাই সকলো গম পোৱা যায়। এওঁ পিতাৰ স্মৃতিত মতলীয়া হৈ আছে, এওঁৰ চেহেৰাই আনন্দময় দেৱতাসকলৰ নিচিনা। আত্মা আনন্দিত হ'লে তেন্তে শৰীৰো আনন্দিত দেখা যাব। শৰীৰত দুখ পালে আত্মাৰ দুখ অনুভৱ হয়। এটা কথা সকলোকে শুনাই থাকা যে শিৱবাবাই কয় মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ পাপ বিনাশ হ'ব। তেওঁলোকে লিখি দিছে - শ্ৰীকৃষ্ণ ভগৱানুবাচ, শ্ৰীকৃষ্ণকতো বহুতে স্মৰণ কৰে কিন্তু পাপতো খণ্ডনেই নহয় আৰু বেছিহে পতিত হৈ গৈছে। এইটো গমেই নাপায় যে স্মৰণ কাক কৰিব লাগে, পৰমাত্মাৰ ৰূপ কি। যদি সৰ্বব্যাপী বুলি কয়ো তেতিয়াও আত্মা যেনেকুৱা তৰা পৰমাত্মাও তৰা কিয়নো আত্মাই পৰমাত্মা বুলি কৈ দিয়ে তেন্তে এইটো হিচাপতো বিন্দু হ'ল। সূক্ষ্ম বিন্দু প্ৰৱেশ কৰে। সকলো বিন্দুকে কয় সন্তানসকল মামেকম্ স্মৰণ কৰা। ইন্দ্ৰিয়ৰ দ্বাৰা কয়। ইন্দ্ৰিয় অবিহনেতো আত্মাই শব্দ উচ্চাৰণ

কৰিব নোৱাৰে। তোমালোকে ক'ব পাৰা আত্মা পৰমাত্মাৰ ৰূপতো এটাই হয় নহয়। পৰমাত্মাক ডাঙৰ লিংগ বা অন্য কিবা বুলি ক'ব নোৱাৰি। পিতাই কয় ময়ো এনেকুৱা বিন্দু কিন্তু মই পতিত-পাৱন হওঁ আৰু তোমালোক সকলো আত্মা পতিত। কিমান চিধা কথা। এতিয়া দেহী-অভিমানী হৈ মোক পিতাক স্মৰণ কৰা, অন্যকো ৰাস্তা দেখুওৱা। মই শব্দই দুটা কওঁ – ‘মনমনাভৱ’। পুনৰ অলপ বিস্তৃতভাৱে কওঁ যে এয়া ঠাল-ঠেঙুলি। প্ৰথমে সতোপ্ৰধান, সতো, ৰজো, তমোত..... আহে। পাপ আত্মা হ'লে কিমান দাগ লাগি যায়। সেই দাগ আঁতৰিব কেনেকৈ? তেওঁলোকে ভাবে গংগাত স্নান কৰিলে পাপ আঁতৰিব। কিন্তু সেয়াতো হৈছে শৰীৰৰ স্নান। আত্মাই পিতাক স্মৰণ কৰিলেহে পাৱন হ'ব পাৰে। ইয়াক স্মৃতিৰ যাত্ৰা বুলি কোৱা হয়। কিমান সহজ কথা, যিটো নিতৌ পিতাই বুজাই থাকে। গীতাতো ‘মনমনাভৱ’ৰ ওপৰত জোৰ দিয়া হয়। উত্তৰাধিকাৰতো পাবাই কেৱল মোক স্মৰণ কৰা তেতিয়া পাপ আঁতৰিব। পিতা অবিনাশী ‘শোষক কাগজ’ হয় নহয়। পিতাই কয় মোক স্মৰণ কৰিলে তোমালোক পাৱন হৈ যোৱা পুনৰ ৰাৱণে পতিত কৰি দিয়ে তেন্তে এনেকুৱা পিতাক স্মৰণ কৰিব লাগে নহয়। এনেকুৱাও থাকে যিসকলে স্মৰণ নকৰে, তেওঁলোকৰ কি অৱস্থা হ'ব। পিতাই বুজায় - সন্তানসকল অন্য সকলো কথা এৰি দিয়া। কেৱল এটা কথা দেহী-অভিমানী হোৱা, মামেকম্ স্মৰণ কৰা। বচ্। এইটোতো জানা আত্মাই এটা শৰীৰ এৰি আন এটা লয়। আত্মাইহে দুখ সুখ ভোগ কৰে। কেতিয়াও ইজনে-সিজনৰ অন্তৰত দুখ দিব নালাগে। ইজনে-সিজনক সুখ দিব লাগে। তোমালোকৰ বেপাৰেই এইটো। বহুত আছে যিয়ে ইজনে-সিজনক দুখ দি থাকে। ইজনে-সিজনৰ দেহৰ প্ৰতি আকৰ্ষিত হৈ থাকে। গোটেই দিন ইজনে-সিজনক স্মৰণ কৰি থাকে। মায়াও তীক্ষ্ণ। বাবাই নাম নলয়, সেয়েহে বাবাই কয় সন্তানসকল দেহী-অভিমানী হোৱা। জ্ঞানতো বহুত সহজ। স্মৃতিত থকাটোহে কঠিন। সেই জ্ঞানতো তথাপিও 15-20 বছৰ পঢ়ে। কিমান বিষয় থাকে। এই জ্ঞানতো অতি সহজ। ড্ৰামাক জনাতো এটা কাহিনী হয়। মুৰুলী শুনোৱাতো ডাঙৰ কথা নহয়। স্মৃতিত থকাটোহে বৰ কঠিন। বাবাই পুনৰ কৈ দিয়ে - ড্ৰামা। তথাপিও পুৰুষাৰ্থ কৰি থাকা। পিতাক স্মৰণ কৰা তেতিয়া যোগ অগ্নিৰে তোমালোকৰ পাপ ভস্ম হৈ যাব। ভাল ভাল সন্তানসকল এই ক্ষেত্ৰত অনুত্তীৰ্ণ হৈ যায়। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) কেতিয়াও কাৰো অন্তৰ দুখী কৰিব নালাগে। সকলোকে সুখ দিব লাগে। এজন পিতাৰ স্মৃতিত থাকিব লাগে আৰু সকলোকে স্মৃতি সোঁৱৰাই দিব লাগে।

(2) পাপৰ দাগ আঁতৰাবৰ কাৰণে দেহী-অভিমানী হৈ অবিনাশী ‘শোষক কাগজ’ পিতাক স্মৰণ কৰিব লাগে। অৱস্থা এনেকুৱা উত্তম তুলিব লাগে যাতে সকলোৰে কল্যাণ হৈ থাকে।

**বৰদান:**

নিজৰ শ্ৰেষ্ঠতাৰ দ্বাৰা নবীনতাৰ পতাকা উৰুৱাওতা শক্তি স্বৰূপ হোৱা

এতিয়া সময় আৰু সমীপতা অনুসৰি যেতিয়া আনৰ ওপৰত শক্তি স্বৰূপৰ প্ৰভাৱ পেলাবা তেতিয়া অন্তিম প্ৰত্যক্ষতা সমীপত আনিব পাৰিবা। যেনেকৈ স্নেহ আৰু সহযোগ প্ৰত্যক্ষ কৰিলা, তেনেকৈ সেৱাৰ আইনাত শক্তি ৰূপৰ অনুভৱ কৰোৱা। যেতিয়া নিজৰ শ্ৰেষ্ঠতাৰ দ্বাৰা শক্তি ৰূপৰ নবীনতাৰ পতাকা উৰুৱাবা, তেতিয়া প্ৰত্যক্ষতা হ'ব। নিজৰ শক্তি স্বৰূপৰ দ্বাৰা সৰ্বশক্তিমান পিতাৰ সাক্ষাৎকাৰ কৰোৱা।

**শ্লোগান:** মনৰ দ্বাৰা শক্তি আৰু কৰ্মৰ দ্বাৰা গুণ দান কৰাটোৱেই মহাদান।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত**:** নিশ্চয়তাৰ ভেটী মজবুত কৰি সদায় নিৰ্ভয় আৰু নিশ্চিন্ত হৈ থাকা

পিতাৰ সন্তানসকলৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে যে এওঁলোকেই মোৰ সন্তান বিঘ্ন-বিনাশক আত্মা, পূজনীয় আত্মা, এই সন্তানসকল পিতাতকৈও আগবঢ়া। নিমিত্ত হৈ সদায় পিতাকো নিশ্চিন্ত কৰাওঁতা, সদায় ভাল খবৰ শুনাওঁতা প্ৰতিগৰাকী বিশেষ। নিজৰ ওপৰতো এনে বিশ্বাস ৰাখি এইটো স্মৃতি স্বৰূপত থাকা, তেতিয়া বিজয়ী হৈ যাবা।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]